## বৃদ্ধিৰ মৌলিক ধাৰণা (Basic Concept of Growth)

সাধাৰণ দৃষ্টিকোণেৰে বৃদ্ধি আৰু বিকাশৰ অৰ্থ এনে যেন লাগিলেও প্ৰকৃতাৰ্থত বৃদ্ধি আৰু বিকাশ একে নহয়।

বৃদ্ধি বা বৰ্দ্ধন শব্দটোৱে ব্যক্তিয়ে দৈহিকভাৱে পৰিপক্কতা লাভ কৰাক বুজায়। জন্মপূৰ্ব অৱস্থাত মাতৃগৰ্ভত থকা অৱস্থাতে ব্যক্তিৰ দৈহিক দিশৰ পৰিবৰ্তন আৰম্ভ হয়। ব্যক্তিৰ দেহকোষবোৰে জন্মপূৰ্ব অৱস্থাৰ পৰা ভ্ৰূণৰ হাত-ভৰি, দেহৰ অংগ-প্ৰত্যংগ, মস্তিষ্ক, মাংসপেশী, স্নায়ৱিক গঠন, পাচক-যন্ত্ৰ, হৃদযন্ত্ৰ, দেহ-কংকাল আৰু অন্যান্য অংশবোৰক গঢ় দি তোলে। মাতৃগৰ্ভত হোৱা এই বৃদ্ধিক তিনিটা পৰ্যায়ত ভাগ কৰা হয়। ভাগকেইটাৰ নাম হ'ল — ডিম্বকোষ পৰ্যায় (Germinal Stage), ভ্ৰূণৰ প্ৰাথমিক পৰ্যায় (Embryonic Stage), আৰু পৰিপুষ্ট ভ্ৰূণৰ পৰ্যায় (Fetal Stage)। মানুহৰ এই দৈহিক বৃদ্ধি গোটেই জীৱন চলি নাথাকে। প্ৰায় ২৫ বছৰ বয়সলৈ এই বৃদ্ধি চলি থাকে। তাৰ পিছত লাহে লাহে ই কমি আহি এটা সময়ত ই স্থবিৰ হৈ পৰে। গতিকে বৃদ্ধি বা বৰ্ধনৰ অৰ্থ প্ৰদান কৰি ক'ব পাৰি যে দেহৰ কোষবোৰৰ গঠন, দেহৰ আকাৰ-আকৃতি বাঢ়ি যোৱা, ওজন-উচ্চতা বঢ়া আদিক বৃদ্ধি বা বৰ্ধন বোলা হয়।

বৃদ্ধি বা বৰ্ধনৰ কেতবোৰ চাৰিত্ৰিক বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল —

১। শিশুৰ বৃদ্ধি মাতৃগৰ্ভত থকাৰ পৰাই আৰম্ভ হয়। মাতৃগৰ্ভত থকা সময়ছোৱাত শিশুৱে বিভিন্ন দৈহিক কাৰকৰ দ্বাৰা প্ৰভাৱিত হয়।

২। জন্মৰ পৰা আঢ়ৈ বছৰ বয়সলৈ বৃদ্ধিৰ গতি অতি দ্ৰুত হয়। তাৰ পিছত বাল্যকালত মন্থৰ হয় আৰু কৈশোৰ কালত দ্ৰুত দৈহিক বৃদ্ধি দেখিবলৈ পোৱা যায়।

৩। কৈশোৰ কালৰ পিছত দৈহিক বৃদ্ধি ক্ৰমান্বয়ে কমি আহে।

৪। দৈহিক বৃদ্ধিৰ ফালৰ পৰা কৈশোৰ কালত শিশু পৰিপক্ক হৈ উঠে আৰু তাৰ পিছত বৃদ্ধিৰ গতি স্থবিৰ হৈ পৰে।

৫। ব্যক্তিৰ আভ্যন্তৰীণ আৰু বাহ্যিক অংগ-প্ৰত্যংগৰ পৰিবৰ্তন বৃদ্ধি প্ৰক্ৰিয়াৰ ফলত হোৱা দেখা যায়।

৬। লিংগভিত্তিক তুলনা কৰিলে কৈশোৰ কালছোৱাত ল'ৰাৰ তুলনাত ছোৱালীৰ বৃদ্ধি অধিক দ্ৰুতগতিত হয়।

৭। বৃদ্ধিয়ে জৈৱিক আৰু দৈহিক পৰিবৰ্তনক সূচায়।

৮। বৃদ্ধিৰ ব্যক্তি এক নিজস্ব আৰু স্বকীয় বৈশিষ্ট্য।

৯। বৃদ্ধি যান্ত্ৰিক আৰু স্বতঃস্ফুৰ্তভাৱে সংঘটিত হয়।

১০। দৰাচলতে কোনো বস্তুৰ দৈহিক আৰু আৱয়ৱিকভাৱে ক্ৰমে বাঢ়ি যোৱা অৱস্থাই হ'ল বৃদ্ধি।

## বিকাশৰ মৌলিক ধাৰণা (Basic Concept of Development)

বিকাশ হৈছে এক বহল পৰিসৰৰ গুণগত ধাৰণা। ই হৈছে এক সামগ্ৰিক অৱস্থা, যি মানুহৰ দৈহিক, মানসিক, আৱেগিক আৰু সামাজিক বিকাশৰ দিশ সামৰি লয়। ই হৈছে জীৱৰ জৈৱিক অস্তিত্বৰ ওপৰত পৰা পৰিৱেশৰ অনুকূল-প্ৰতিকূল প্ৰভাৱৰ পৰিণতি। প্ৰত্যেক ব্যক্তিয়ে দৈহিক আৰু জৈৱিক অস্তিত্বৰে জন্মগ্ৰহণ কৰে। এই অস্তিত্বৰ ওপৰত পৰিবেশৰ প্ৰভাৱ পৰে আৰু বিকাশ সম্ভৱ হৈ উঠে। বিকাশ প্ৰক্ৰিয়া গোটেই জীৱন চলি থাকে। ই এক বিৰামহীন প্ৰক্ৰয়া যি অবিৰতভাৱে সমগ্ৰ জীৱন চলি থাকে।

বিকাশৰ বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্যবোৰ হ'লত উল্লেখ কৰা ধৰণৰ —

১। বিকাশ হৈছে জীৱই পৰিৱেশত কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পৰিণতি। অৰ্থাৎ বিকাশ হ'ল আমাৰ সহজাত জৈৱিক ক্ষমতাৰ ওপৰত পৰিৱেশৰ প্ৰভাৱৰ ফল বা পৰিণতি।

২। বিকাশ হৈছে এক অবিচ্ছিন্ন, নিৰন্তৰ আৰু অবিৰত প্ৰক্ৰিয়া। বিকাশৰ কোনো দুই স্তৰৰ মাজত কোনো স্পষ্ট ব্যৱধান নাথাকে।

৩। সকলো সময়ত বিকাশৰ গতি সমান ৰূপত আৰু স্বাভাৱিক নহয়। কোনো সময়ত বিকাশৰ গতি দ্ৰুততৰ আৰু কোনো সময়ত ই মন্থৰ বা লেহেমীয়া হৈ পৰে।

৪। সাধাৰণতে দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক দিশত হোৱা পৰিৱৰ্তনবোৰৰ এক সমন্বয় সাধনৰ যোগে বিকাশ সংঘটিত হয়। এই দিশবোৰৰ বিকাশ একক আৰু পৃথক নহয়।

৫। লিংগভিত্তিক তুলনা কৰিলে দেখা যায় যে ল'ৰা আৰু ছোৱালীৰ দেহ-মানসিক বিকাশৰ গতি আৰু প্ৰকৃতি একে নহয়। কেতিয়াবা ল'ৰাৰ বিকাশ দ্ৰুততৰ হয় আৰু কেতিয়াবা ছোৱালীৰ বিকাশৰ গতি দ্ৰুততৰ হয়।

৬। ব্যক্তিৰ বিকাশ দৈহিক পৈণতা আৰু শিক্ষাৰ ওপৰত নিৰ্ভৰশীল।

৭। বিকাশ হৈছে জীৱৰ জৈৱিক অস্তিত্বৰ ওপৰত পৰা পৰিৱেশৰ অনুকূল আৰু প্ৰতিকূল প্ৰভাৱ পৰিণতি।

৮। বিকাশ হ'ল উদ্দেশ্য প্ৰণোদিতভাৱে সংঘটিত এক প্ৰক্ৰিয়া।

## বৃদ্ধি আৰু বিকাশৰ মাজত পাৰ্থক্য (Difference between Growth and Development)

বৃদ্ধি আৰু বিকাশৰ মাজত থকা বিভিন্ন পাৰ্থক্যবোৰ তলত উল্লেখ কৰা হ'ল—

| বৃদ্ধি | বিকাশ |
|---|---|
| ১। বৃদ্ধিৰ ধাৰণা শাৰীৰিক। শৰীৰৰ ওজন, আকাৰ আদিক ই সামৰি লয়। | ১। বিকাশৰ ধাৰণা সামগ্ৰিক। ই দৈহিক, মানসিক, আৱেগিক, সামাজিক, নৈতিক, বৌদ্ধিক আদি দিশক সামৰি লয়। |
| ২। বৃদ্ধিক সঁজুলিৰে জুখিব পাৰি। | ২। বিকাশ কোনো সঁজুলিৰে জুখিব নোৱাৰি। ইয়াক পৰ্যবেক্ষণহে কৰিব পাৰি। |
| ৩। বৃদ্ধি এক আভ্যন্তৰীণ প্ৰক্ৰিয়া। ই সম্পূৰ্ণ-ৰূপে বংশগতিৰ ওপৰত নিৰ্ভৰশীল। | ৩। বিকাশ আভ্যন্তৰীণ আৰু বাহ্যিক প্ৰক্ৰিয়া। ই বংশগতি আৰু পৰিৱেশ দুয়োটাৰ ওপৰত নিৰ্ভৰশীল। |
| ৪। বৃদ্ধি হ'ল বিকাশৰ এক অংশবিশেষ। | ৪। বিকাশ এক সামগ্ৰিক প্ৰক্ৰিয়া। |
| ৫। কোনো এক নিৰ্দিষ্ট বয়সত বৃদ্ধি প্ৰক্ৰিয়া স্থবিৰ হৈ পৰে। | ৫। বিকাশ এক অবিৰত প্ৰক্ৰিয়া। ই জন্মৰ পৰা মৃত্যুলৈ আজীৱন চলি থাকে। |
| ৬। বৃদ্ধিৰ লগত শিক্ষণৰ কোনো সম্বন্ধ নাই। | ৬। বিকাশৰ লগত শিক্ষণৰ এক ওচৰ সম্বন্ধ আছে। |
| ৭। বৃদ্ধি হৈছে শৰীৰ বিজ্ঞানীসকলৰ এক বিশিষ্ট অধ্যয়ণৰ বিষয়। | ৭। বিকাশ হৈছে মনোবিজ্ঞানী সকলৰ এক বিশিষ্ট অধ্যয়নৰ বিষয়। |
| ৮। বৃদ্ধি এক যান্ত্ৰিক প্ৰক্ৰিয়া। | ৮। বিকাশ এক উদ্দেশ্য-প্ৰণোদিত প্ৰক্ৰিয়া। |